**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-JULY-2026
**Time :** 12.05 PM

**ASSAMESE 12.05 PM BULLETIN**

---

## ***HEDLINE***

১। ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ লৈ বৃদ্ধি।

২। মুখ্যমন্ত্ৰীৰ সৈতে বান সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বাৰ্তালাপ। সকলোধৰণৰ সহায়ৰ আশ্বাস।

৩। নীটক লৈ শিক্ষাৰ্থীসকলৰ উদ্বেগ যথাযথ যদিও বিষয়টো লৈ ৰাজনীতি কৰা উচিত নহয় বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

আৰু

৪। হাৰাৰেত আজি ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল।

০০০০০০

অসমৰ বান পৰিস্থিতি এতিয়াও শোচনীয় হৈ আছে। বানৰ কবলত পৰা জিলাকেইখনৰ কোনো কোনো অঞ্চলত পানী কমিবলৈ লৈছে যদিও ১২ খন জিলাৰ ৮৫৬ খন গাঁও বানত বুৰ গৈ আছে। বানৰ ফলত উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত সৰ্বাধিক ক্ষতি হৈছে। এইবাৰৰ বানত ৭ লাখ ৫১ হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। বানৰ ফলত কালি আৰু ১৪ জন লোকে প্ৰাণ হেৰুৱায়। ইয়াৰে ভিতৰত শিৱসাগৰত ছজন, চৰাইদেউত ৭ জন আৰু যোৰহাটত এজন লোকৰ মৃত্যু হয়। ইয়াকে লৈ ৰাজ্যত এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ৬১ হৈছেগৈ।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সূত্ৰ অনুসৰি সাম্প্ৰতিক বানত ৫৬ হাজাৰ ৬০৬ হেক্টৰৰো অধিক কৃষিভূমি প্লাবিত হৈছে। বানপীড়িতসকলৰ বাবে স্থাপন কৰা ৯৬ টা আশ্ৰয় শিবিৰসমূহত ১ লাখ ১৫ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে।

উজনি অসমৰ মাজেৰে বৈ যোৱা দিখৌ, দিচাং আৰু ধনশিৰিকে ধৰি গুৰুত্বপূৰ্ণ নৈসমূহ বিপদসীমাৰ ওপৰেদি বৈ আছে। ইয়াৰ ফলত বান পৰিস্থিতিৰ অধিক অৱনতি ঘটিছে।

নীপকোৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ জলধাৰৰ পানী ক্ৰমাৎ বৃদ্ধি পোৱাৰ বাবে প্ৰকল্পটোৰ চাৰিখন স্পীলৱে গে'ট খুলি দিবলগীয়া হৈছে। বৰ্তমান এই গে'টেৰে প্ৰতি ছেকেণ্ডত প্ৰায় ২ লাখ ১১ হাজাৰ লিটাৰ পানী এৰি দিয়া হৈছে। পানী এৰি দিয়াৰ ফলত গোলাঘাট আৰু বোকাখাত মহকুমাৰ কেইবাখনো নদীৰ জলস্তৰ বৃদ্ধি পাইছে। জিলা প্ৰশাসনে প্ৰকল্পটোৰ নামনি অঞ্চলত বানৰ আশংকা কৰি নদী কাষৰীয়া অঞ্চলৰ লোকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত আমাক জনাইছে গোলাঘাট জিলাৰ সংবাদদাতা হিৰণ্য গগৈয়ে –

ভইচকাষ্ট

বান প্ৰভাৱিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে। দুৰ্যোগ সঁহাৰি বাহিনী, জিলা প্ৰশাসন, অগ্নি আৰু জৰুৰীকালীন সেৱা বাহিনী, এছ ডি আৰ এফ, আৰক্ষী তথা স্থানীয় ৰাইজে উদ্ধাৰ অভিযানত সহায় কৰিছে। প্ৰশাসনে বানপীড়িত লোকসকলক যাৱতীয় সাহায্য সামগ্ৰীৰ লগতে পশু খাদ্য যোগানৰ ব্যৱস্থা কৰিছে। কৰ্তৃপক্ষসমূহে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু বেয়াকৈ ক্ষতিগ্ৰস্ত জিলাসমূহত উদ্ধাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ সৈতে টেলিফোনযোগে কথা পাতে আৰু বানৰ ফলত হোৱা ক্ষয়-ক্ষতি, উদ্ধাৰ অভিযান আৰু প্ৰত্যাহ্বানৰ বুজ লয়। কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে প্ৰভাৱিত পৰিয়ালসমূহলৈ সাহায্য আগবঢ়োৱাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিষয়ে শ্ৰী মোদীক অৱগত কৰে। প্ৰধানমন্ত্ৰীয়ে বানৰ ফলত ধন-জন হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা ব্যক্ত কৰে আৰু প্ৰাকৃতিক সমস্যাটোক সৰ্বাধিক অগ্ৰাধিকাৰ দিয়া হৈছে বুলি আশ্বাস দিয়ে। কেন্দ্ৰীয় চৰকাৰে সাহায্য, পুনৰ বাসন আৰু পুনৰ নিৰ্মাণ প্ৰক্ৰিয়াত সৰ্বতোপ্ৰকাৰে সহায় কৰিব বুলিও তেওঁ আশ্বাস দিয়ে।

oooooo

যোৰহাট জিলাৰ শ'লমাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অত্যন্ত দূৰৱৰ্তী আৰু দুৰ্গম বানাক্ৰান্ত অঞ্চল বৰকানা চুকত আজি এটা স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ ফলত স্বাস্থ্য কৰ্মীসকলে বহুতো প্ৰত্যাহ্বান নেওচি বানপীড়িত অঞ্চলটোত উপস্থিত হয়। যোৰহাট জিলা প্ৰশাসনে তেওঁলোকৰ এই সাহসী পদক্ষেপ আৰু সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে।

oooooo

শেহতীয়া ভয়াবহ বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যোৰহাট জিলাৰ কাক'ডোঙা আৰু চৰাইপানী অঞ্চলত নদীৰ মথাউৰি ছিঙি সৃষ্টি হোৱা সংকট প্ৰতিৰোধ কৰিবলৈ জলসম্পদ বিভাগে জৰুৰীভাৱে সাময়িক মেৰামতিৰ কাম আৰম্ভ কৰিছে। পৰিস্থিতি অধিক অৱনতি নহ'বলৈ প্ৰশাসন আৰু জলসম্পদ বিভাদৰ যৌথ উদ্যোগত জৰুৰীকালীন ভিত্তিত এই সাময়িক সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

আনহাতে শ'লমাৰা খহনীয়া অংশত প্ৰতিৰোধৰ বাবে জিঅ' টিউব সংস্থাপনৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতিৰ কাম দ্ৰুত গতিত চলি আছে।০

oooooo

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীটক লৈ শিক্ষাৰ্থীসকলৰ উদ্বেগ যথাযথ বুলি অভিহিত কৰিছে। গুৱাহাটীত কালি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যখন ভয়াৱহ বান পৰিস্থিতিৰ সৈতে যুঁজ দি থকাৰ সময়ত বিষয়টো লৈ ৰাজনীতি কৰা উচিত নহয়। বিষয়টোক লৈ কৰা প্ৰতিবাদক ৰাজনৈতিক উদ্দেশ্য সিদ্ধিৰ অভিযানলৈ ৰূপান্তৰ কৰা উচিত নহয় বুলিও তেওঁ মন্তব্য কৰে। ডং শৰ্মাই কয়, যে চৰকাৰ শিক্ষাৰ্থীসকলৰ সৈতে আছে আৰু ই দেশৰ পৰীক্ষা ব্যৱস্থাটো অধিক স্বচ্ছ আৰু শক্তিশালী হোৱাটো বিচাৰে। কেন্দ্ৰীয় চৰকাৰে নীটক লৈ সৃষ্টি হোৱা উদ্বেগ দূৰ কৰাৰ বাবে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰে। *(বাইট)*

oooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ৰাজ্যৰ দুগ্ধ খণ্ডৰ সামগ্ৰীৰ ৰূপান্তৰ আৰু দীৰ্ঘম্যাদী উন্নয়নৰ ৰূপৰেখাৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে কালি ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদ আৰু সমবায় বিভাগৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত দুগ্ধ উৎপাদকৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ সৰলীকৰণ, উৎপাদন বৃদ্ধি, যোৰহাট, ধেমাজি আৰু ডিব্ৰুগড়ত দৈনিক ২ লাখ ৫০ হাজাৰ লিটাৰ ক্ষমতাসম্পন্ন আধুনিক দুগ্ধ প্ৰ-সংস্কৰণ কেন্দ্ৰ কাৰ্যক্ষম কৰা, ২০০ কোটি টকাৰ টেট্ৰাপেক দুগ্ধ প্ৰ-সংস্কৰণ আৰু পেকেজিং প্ৰকল্প, থলুৱা প্ৰজাতিৰ গৰুৰ সংৰক্ষণ তথা বিকাশ আৰু অসমত ৰাষ্ট্ৰীয় দুগ্ধ উন্নয়ন পৰিষদৰ আঞ্চলিক কাৰ্যালয় স্থাপনৰ সম্ভাৱনাৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হয়।

০০০০০০

শিৱসাগৰ জিলা প্ৰশাসনে অবৈধভাৱে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি ৰোধ কৰাৰ উদ্দেশ্যে এটা সুকীয়া হেল্পলাইন মুকলি কৰিছে। প্ৰশাসনে বান পৰিস্থিতিৰ সুযোগ লৈ অনুচিতভাৱে প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য বৃদ্ধি কৰাৰ পৰা বিৰত থাকিবলৈ ব্যৱসায়ীসকলক সকিয়াই দিছে। কৃত্ৰিম বানে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি অথবা ক'লা বজাৰৰ ঘটনাৰ সৈতে জড়িত থকাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰশাসনে প্ৰকাশ কৰিছে।

০০০০০০

মণিপুৰৰ ইম্ফল পশ্চিম জিলাৰ পাটছ'ই থানা এলেকাৰ সংগাইথেল পাৰ্কৰ সমীপত কালি নিৰাপত্তা বাহিনীয়ে যথেষ্ট সংখ্যক অস্ত্ৰ-শস্ত্ৰ, গোলা-বাৰুদ আৰু সামৰিক সঁজুলি উদ্ধাৰ কৰে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ ভিতৰত মেগজিনসহ ৮টা পিষ্টল, চাৰিটা ৰাইফল, তিনিটা হেণ্ড গ্ৰেনেড, তিনিটা ডিটেনেটৰ, যথেষ্ট সংখ্যক কাৰ্টিজ, বুলেট প্ৰুফ জেকেট আৰু বেতাঁৰ যোগাযোগ ছেটকে ধৰি অন্যান্য সামৰিক সঁজুলি আছে। অঞ্চলটোত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ লক্ষ্যৰে নিৰাপত্তাৰক্ষীয়ে চলোৱা অভিযানৰ সময়তে এই সামগ্ৰীসমূহ জব্দ কৰা হয়। বিষয়টো সংক্ৰান্তত তদন্ত অব্যাহত আছে।

০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি হাৰাৰেত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে চাৰি বজাত আৰম্ভ হ'ব। ভাৰত সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। ভাৰতে পৰহি একেটা স্থানত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল জিম্বাব'ৱেক ৭ উইকেটত পৰাস্ত কৰে। কাইলৈ শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল একেটা স্থানত অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**